স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

চন ☐ VOL-15 ☐ NO-238 ☐ TUESDAY 4 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUG



কৰ্মচাৰীৰ ধৰ্মঘট ফটো ঃ অংকুৰ

চাদুল্লা

শ্ৰদ্ধাঞ্জলি

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক

# দীপক শৰ্মাৰ বিয়োগত কানৈ মহাবিদ্যালয়ত শোক

**বিশেষ বাৰ্তা, ডিব্ৰুগড, ৩ নৱেম্বৰ ঃ** আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মাৰ আজি পুৱা ৫৭ বছৰ বয়সত মৃত্যু হোৱাত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিয়াল শোকত মৰ্মাহত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই শৰ্মাৰ বিয়োগত অসমৰ সাংস্কৃতিক জগতৰে নহয়, সমগ্ৰ বিশ্বৰ সাংস্কৃতিক জগতৰ এক অপূৰণীয় ক্ষতি হ'ল বুলি কয়। অধ্যক্ষগৰাকীয়ে লগতে কয়— প্ৰয়াত শৰ্মাৰ বাঁহীৰ ওপৰত থকা অতুলনীয় আধিপত্যৰ বাবে তেওঁৰ বাঁহীৰ সুৰে সীমা অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। এনে এগৰাকী সুৰৰ কিংবদন্তিৰ বিয়োগত সাংস্কৃতিক জগতখনৰ এক উজ্জ্বল জ্যোতিষ্ক হেৰাই গ'ল বুলি কোৱাৰ লগতে দীপক শৰ্মাৰ মৃত্যুৱে ৰাজ্যখনৰ সাংস্কৃতিক পৰিৱেশত এক শূন্যতাৰ সৃষ্টি কৰিলে, যিটো পূৰণ কৰাটো কঠিন হ'ব বুলি অধ্যক্ষ ড° শইকীয়াই মত প্ৰকাশ কৰে। তেওঁৰ পুণ্যাত্মাৰ সদ্গতিৰ অৰ্থে পৰম প্ৰেমময় ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

ঃ নাজিৰা সমজিলাৰ অন্তৰ্গত মেকিপুৰত আজি সন্ধিয়া নাজিৰা আৰক্ষীয়ে কুখ্যাত ড্ৰাগ্ছ সৰবৰাহকাৰীৰ বিৰুদ্ধে এক অভিযান চলায়। নাজিৰা সমজিলাৰ আৰক্ষী বিষয়া আৰু নাজিৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত চলা এই অভিযানত এটা ড্ৰাগ্ছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগ্ছ সৰবৰাহকাৰীটো মেকিপুৰ অঞ্চলৰে ৰাজীৱ লাইক (৪০)। আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা ড্ৰাগ্ছৰ লগতে ৬৬,০০০ হাজাৰ টকা জব্দ কৰে। উল্লেখ্য, দীৰ্ঘদিন ধৰি এই নিষিদ্ধ দ্ৰব্যৰ ব্যৱসায়ত জড়িত কুখ্যাত ড্ৰাগ্ছ সৰবৰাহকাৰীটোক পূৰ্বতে আটক কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল যদিও কাৰাগাৰৰ পৰা ওলাই পুনৰ এই কামত লিপ্ত হৈ পৰিছিল।



ক অ

